**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 23-09-2024
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***
**-----------------------**

১। ৰাজ্যৰ নৱ প্ৰতিভা তথা মেধা সম্পন্ন শিক্ষাৰ্থীসকলক উৎসাহ যোগাই উন্নত সুযোগ-সুবিধা প্ৰদান কৰাৰ বাবে চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ বুলি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ মন্তব্য।

২। শিক্ষামন্ত্ৰী ডা০ ৰণোজ পেগুৰ চিৰাঙত ভৈয়াম জনজাতি কল্যাণ বিভাগৰ বিভিন্ন আঁচনিৰ অধীনত নিৰ্মিত কেইবাটাও আঁচনিৰ শুভাৰম্ভ আৰু আধাৰশিলা স্থাপন।

৩। আধুনিক আন্তঃগাঁথনিৰ জৰিয়তে দেশত নিয়োগৰ সুযোগ বৃদ্ধি কৰি দৰিদ্ৰ আৰু মধ্যবিত্ত শ্ৰেণীৰ সৰলীকৰণৰ প্ৰয়াস কৰা হৈছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ প্ৰকাশ।

৪। ৰাজ্যত গৰমৰ প্ৰকোপ অব্যাহত। গৰমৰ পৰিপ্ৰেক্ষিতত স্বাভাৱিক জনজীৱন ব্যাহত। **আৰু**

৫। হাংগেৰীৰ বুডাপেষ্টত অনুষ্ঠিত দবা অলিম্পিয়াডত ভাৰতীয় দলৰ ইতিহাস ৰচনা। দবা খেলুৱৈসকললৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অভিনন্দন জ্ঞাপন।

০০০০০০

০০০০০০

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কৈছে যে, ৰাজ্যৰ নৱ প্ৰতিভা তথা মেধা সম্পন্ন শিক্ষাৰ্থীসকলক উৎসাহ যোগাই উন্নত সুযোগ-সুবিধা প্ৰদান কৰাৰ বাবে ৰাজ্য চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ। চৰকাৰৰ ধ্বজাবাহী আঁচনি **মুখ্যমন্ত্ৰীৰ বিজ্ঞান প্ৰতিভা সন্ধান**ৰ অধীনত বিজ্ঞানৰ দিশত উৎসাহী নৱপ্ৰজন্মক উদগণি যোগোৱাৰ ব্যৱস্থা কৰা হৈছে। এই আঁচনিৰ অংশ হিচাপে ৰাজ্যৰ ৫ গৰাকী প্ৰতিভাৱান শিক্ষাৰ্থীক বিশ্ব প্ৰসিদ্ধ কেম্ব্ৰিজ বিশ্ববিদ্যালয়লৈ চৰকাৰৰ পৃষ্ঠপোষকতাত শৈক্ষিক ভ্ৰমণৰ বাবে প্ৰেৰণ কৰা হৈছে। শিক্ষাৰ্থীকেইগৰাকী হৈছে ক্ৰমে দৰং জিলাৰ জাহ্নৱী প্ৰিয়া নাথ, ডিব্ৰুগড়ৰ কংকন বৰা, মাজুলীৰ লক্ষ্য কলিতা, নগাঁৱৰ মঞ্জয় নন্দি আৰু গোলাঘাটৰ নিকিতা নেওগ।

০০০০০০

শিক্ষামন্ত্ৰী ডা০ ৰণোজ পেগুৱে এদিনীয়া চৰকাৰী কাৰ্যসূচীৰে চিৰাঙত উপস্থিত হৈ বিভিন্ন ধৰণৰ ভৈয়াম জনজাতি কল্যাণ বিভাগৰ বিভিন্ন আঁচনিৰ অধীনত নিৰ্মিত কেইবাটাও আঁচনিৰ শুভাৰম্ভ কৰাৰ লগতে আধাৰশিলা স্থাপন কৰে। মন্ত্ৰীগৰাকীয়ে সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত বিটিচিত অতি শীঘ্ৰেই এহেজাৰ ৫০০ গৰাকী শিক্ষক নিযুক্তি দিয়া হ'ব বুলিও প্ৰকাশ কৰে। তেওঁ লগতে বিগত লোকসভা নিৰ্বাচনৰ নিৰ্বাচনী আচৰণ বিধি বলবৎ হৈ থকাৰ বাবে মূল্যায়ন বহী বিতৰণত পলম হোৱাৰ কথাও উল্লেখ কৰে। প্ৰথম শ্ৰেণীৰ পৰা অষ্টম শ্ৰেণীলৈকে মূল্যায়ন বহী বিতৰণ প্ৰক্ৰিয়া শীঘ্ৰেই আৰম্ভ কৰাৰ লগতে এই সন্দৰ্ভত উত্থাপন হোৱা বিভিন্ন অভিযোগৰো মন্ত্ৰীগৰাকীয়ে স্পষ্টীকৰণ দিয়ে।

০০০০০০

কেন্দ্ৰত নৰেন্দ্ৰ মোদী চৰকাৰৰ তৃতীয়টো কাৰ্যকালৰ এশ দিন পূৰ হোৱাৰ সৈতে সংগতি ৰাখি বিকশিত ভাৰতৰ পথত অগ্ৰসৰ হোৱাৰ উপলক্ষে চৰকাৰে **মধ্যবিত্ত শ্ৰেণীৰ সৰলীকৰণ**ৰ সিদ্ধান্ত গ্ৰহণ কৰিছে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই প্ৰসংগত কয় যে, আধুনিক আন্তঃগাঁথনি গঢ়ি তোলাৰ লগে লগে দেশত নিয়োগৰ সুযোগ বৃদ্ধিৰ জৰিয়তে দৰিদ্ৰ আৰু মধ্যবিত্ত শ্ৰেণীৰ সৱলীকৰণ বৃদ্ধি হোৱা দেখা গৈছে। মধ্যবিত্ত শ্ৰেণীৰ সৱলীকৰণৰ ক্ষেত্ৰত চৰকাৰে বহিঃৰাষ্ট্ৰৰ প্ৰতিষ্ঠানৰ ওপৰত নিৰ্ভৰশীলতা হ্ৰাস কৰাৰ লগতে স্বাস্থ্য সেৱাৰ আন্তঃগাঁথনি শক্তিশালী কৰাৰ বাবে ৭৫ হাজাৰ নতুন চিকিৎসা বিজ্ঞানৰ আসন সংযোজন কৰিছে। আনহাতে প্ৰধানমন্ত্ৰী আৱাস যোজনা নগৰৰ অধীনত কেন্দ্ৰীয় চৰকাৰৰ ২ দশমিক ৩০ লাখ কোটি টকা ৰাজ সাহায্যৰে এক কোটি নগৰীয়া গৃহ নিৰ্মাণ কৰা হৈছে। একেদৰে **পি এম সূৰ্য ঘৰ** যোজনাৰ অধীনত ৩ লাখ ৫ হাজাৰ ঘৰত সৌৰ ব্যৱস্থা স্থাপন কৰাৰ জৰিয়তে মধ্যবিত্ত শ্ৰেণীৰ সঞ্চয় বৃদ্ধি কৰাৰ প্ৰয়াস কৰা হৈছে। মুদ্ৰা ঋণ ১০ লাখৰ পৰা ২০ লাখলৈ বৃদ্ধি কৰি ঔদ্যোগিকৰণৰ ক্ষেত্ৰতো উত্থান ঘটোৱা হৈছে। ইফালে ইউনিফাইড পেঞ্চন আঁচনিৰ অধীনত ২৩ লাখ কেন্দ্ৰীয় চৰকাৰৰ কৰ্মচাৰীক ৫০ শতাংশ পেঞ্চনৰ নিশ্চয়তা প্ৰদান কৰাৰ লগতে অৱসৰপ্ৰাপ্ত প্ৰতিৰক্ষা কৰ্মী আৰু তেওঁলোকৰ পৰিয়ালৰ কল্যাণ নিশ্চিত কৰিবৰ বাবে এটা পদবী, এটা পেঞ্চন আঁচনিৰ সংশোধন কৰা হৈছে। নৰেন্দ্ৰ মোদী চৰকাৰৰ তৃতীয়টো কাৰ্যকালত ৰাজহুৱা পৰীক্ষা আইন প্ৰৱৰ্তনকে ধৰি মেট্ৰ' প্ৰকল্প, ইলেকট্ৰনিক বাছ আদি বিভিন্ন ব্যৱস্থাৰ জৰিয়তে মধ্যবিত্ত শ্ৰেণীৰ সৱলীকৰণৰ বাবে পদক্ষেপ গ্ৰহণ কৰা হৈছে।

আনহাতে মহিলা নেতৃত্বাধীন বিকাশৰ ক্ষেত্ৰতো নৰেন্দ্ৰ মোদী চৰকাৰে বিভিন্ন সিদ্ধান্ত গ্ৰহণ কৰিছে। শিক্ষা, উদ্যমিতা, কৃষি, প্ৰযুক্তি আৰু অন্যান্য ক্ষেত্ৰৰ পদক্ষেপৰ জৰিয়তে চৰকাৰে মহিলাসকলক সৱলীকৰণ কৰিবলৈ বদ্ধপৰিকৰ হৈছে। মহিলা সৱলীকৰণৰ বিভিন্ন আঁচনিৰ সুবিধা লাভ কৰা চৰাইদেউ জিলাৰ এগৰাকী হিতাধিকাৰীয়ে আমাৰ সংবাদদাতাক এনেদৰে কয়-

-ভইচ কাষ্ট-

০০০০০০

প্ৰধানমন্ত্ৰী সূৰ্য ঘৰ আঁচনিৰ অধীনত অসমত এ পি ডি চি এলে দুই লাখৰো অধিক আবেদন লাভ কৰিছে। কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰে যথেষ্ট ৰাজসাহায্য আগবঢ়োৱাৰ বাবে সৌৰশক্তি আহৰণ কৰাটো অধিক সুলভ হৈ পৰাৰ বাবে বিপুল সঁহাৰি পোৱা গৈছে। এ পি ডি চি এলৰ সূত্ৰই প্ৰকাশ কৰা মতে চাদৰ ওপৰত সৌৰ পেলেন স্থাপনৰ প্ৰতি গ্ৰহকৰ আগ্ৰহ যথেষ্ট বৃদ্ধি পোৱা দেখা গৈছে। উল্লেখযোগ্য যে, প্ৰধানমন্ত্ৰী সূৰ্য ঘৰ আঁচনিৰ অধীনত এক কিলোৱাট সৌৰশক্তি পেনেল স্থাপনৰ বাবে কেন্দ্ৰীয় চৰকাৰে ৩০ হাজাৰ টকা আৰু ৰাজ্য চৰকাৰে ১৫ হাজাৰ টকা ৰাজ সাহায্য দিয়াৰ কথা ঘোষণা কৰিছে। এই আঁচনি গ্ৰহণৰ বাবে সজাগতা সৃষ্টিৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰা হৈছে। এই আঁচনিৰ অধীনত গ্ৰীড সংযুক্ত সৌৰ চাদ ব্যৱস্থাৰে এটা পৰিয়ালক ৭০ শতাংশ পৰ্যন্ত সাহায্য দিয়াৰ ব্যৱস্থা কৰা হ'ব। আনহাতে ৰাজ্য চৰকাৰে ২০২৬ৰ ভিতৰত তিনি হেজাৰ মেগাৱাট সৌৰশক্তি উৎপাদনৰ লক্ষ্য স্থিৰ কৰিছে। বৰ্তমান সৌৰশক্তি প্ৰকল্পৰ পৰা প্ৰায় ৩০০ মেগাৱাট বিদ্যুৎ শক্তি উৎপাদন কৰি থকা হৈছে। কেন্দ্ৰীয় চৰকাৰৰ তথ্য অনুসৰি অসমত ১৩ হাজাৰ ৭৬০ মেগাৱাট সৌৰশক্তি উৎপাদনৰ সম্ভাৱনা আছে। অসমত দৈনিক প্ৰায় দুহেজাৰ ৬০০ মেগাৱাট বিদ্যুৎ শক্তিৰ প্ৰয়োজন হয়। কিন্তু ৰাজ্যত থকা বিদ্যুৎ প্ৰকল্পসমূহৰ এই চাহিদাৰ মাত্ৰ ১৪ শতাংশহে উৎপাদন কৰাৰ ক্ষমতা আছে, বাকী চাহিদা পূৰণৰ বাবে অন্য ৰাজ্যৰ পৰা বিদ্যুৎ ক্ৰয় কৰিবলগীয়া হয়। এনে প্ৰেক্ষাপটত সেউজশক্তি উৎপাদনেৰে স্বাৱলম্বী হ'বলৈ শেহতীয়াকৈ ৰাজ্য চৰকাৰে কেইবাখনো নতুন আঁচনি মুকলি কৰিছে। এই প্ৰকল্পসমূহৰ ভিতৰত কাৰ্বি আংলঙৰ লাহৰিজানৰ এহেজাৰ মেগাৱাট, ধুবুৰী-বিলাসীপাৰাৰ ৭০ মেগাৱাট, এ পি ডি চি এল আৰু এন এল চি আই এলৰ সৌদ উদ্যোগত এহেজাৰ মেগাৱাটৰ প্ৰকল্প অন্যতম।

০০০০০০

চলিত বৰ্ষত ৰাজ্য চৰকাৰৰ তৃতীয় আৰু চতুৰ্থবৰ্গৰ পদবোৰ পূৰণৰ বাবে অনুষ্ঠিত প্ৰত্যক্ষ নিযুক্তি পৰীক্ষাত অৱতীৰ্ণ পৰীক্ষাৰ্থীসকলে পৰীক্ষাৰ OMR চিটৰ ফটোকপি ৫০ টকাৰ বিনিময়ত পাব পৰা হ'ব বুলি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমৰ জৰিয়তে ঘোষণা কৰিছে। উল্লেখযোগ্য যে চৰকাৰে ২০২১ চনৰ পৰীক্ষা প্ৰাৰ্থীসকলৰ পৰা মাচুল লৈছিল যদিও এইবাৰ সেই মাচুল ৰেহাই দিয়া হৈছে। লক্ষ্যনীয় যে প্ৰশ্নকাকতৰ ফাদিল ৰোধ কৰাৰ বাবে অন্য ব্যৱস্থা বোৰৰ লগতে এইবাৰ পৰীক্ষাৰ্থীক পৰীক্ষাৰ অন্তত প্ৰশ্নকাকত লগত নিবলৈ দিয়া হোৱা নাছিল। ইয়াৰ বাবে সামাজিক মাধ্যমত ব্যাপক সমালোচনা হোৱাত মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে, পৰৱৰ্তী পৰীক্ষাবোৰত প্ৰশ্নকাকতসমূহ লগত নিবলৈ দিয়া হ'ব। আনহাতে ৫০ টকা মাচুলৰ বিনিময়ত OMR শ্বিটৰ ফটোকপি ছেবাই প্ৰাৰ্থীসকলক দিয়া ব্যৱস্থা কৰিব। মুখ্যমন্ত্ৰীয়ে এই প্ৰক্ৰিয়া ২৭ ছেপ্তেম্বৰৰ পৰা আৰম্ভ হ'ব বুলি উল্লেখ কৰি পৰীক্ষা স্বচ্ছ, নিকা আৰু ক্ৰটিহীনভাৱে অনুষ্ঠিত কৰা হ'ব বুলি প্ৰকাশ কৰে।

০০০০০০

ৰাজ্যত বিগত কেইবাদিনো ধৰি গৰমৰ প্ৰকোপ অব্যাহত আছে। স্বাভাৱিক তাপমাত্ৰা চাৰিৰ পৰা পাঁচ ডিগ্ৰী চেলছিয়াছলৈ বৃদ্ধি পোৱাৰ পৰিপ্ৰেক্ষিতত ৰাজ্যবাসীয়ে অস্বস্তিকৰ পৰিৱেশৰ মাজেৰে দিন পাৰ কৰিবলগীয়া হৈছে। গুৱাহাটীৰ বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই প্ৰকাশ কৰা অনুসৰি সম্প্ৰতি ৰাজ্যৰ বিভিন্ন অঞ্চলত গ্ৰীষ্ম প্ৰবাহৰ মাত্ৰা অত্যধিক হাৰত বৃদ্ধি পাইছে। বিগত দিনকেইটাত তাপমাত্ৰা ৩৭ৰ পৰা ৩৮ ডিগ্ৰী চেলছিয়াছ হৈছে যদিও জলবায়ুৰ আৰ্দ্ৰতাৰ বাবে ৪৫ৰ পৰা ৪৮ ডিগ্ৰী চেলছিয়ালছলৈ গৰম অনুভূত হৈ আহিছে। আজি এই তাপমাত্ৰা নূন্যতম ২৭ ডিগ্ৰীৰ পৰা সৰ্বাধিক ৩৭ ডিগ্ৰী পৰ্যন্ত হোৱাৰ সম্ভাৱনা আছে।

ৰাজ্যত বৰ্ধিত তাপমাত্ৰা তথা উৎকট গৰমৰ প্ৰতি লক্ষ্য ৰাখি বিভিন্ন জিলাৰ ব্যক্তিগত তথা চৰকাৰী বিদ্যালয়সমূহৰ পাঠদানৰ সময়সূচী কিছু সালসলনি কৰা হৈছে। কামৰূপ মহানগৰ জিলাৰ সকলো ব্যক্তিগত, চৰকাৰী তথা কেন্দ্ৰীয় চৰকাৰৰ অধীনৰ বিদ্যালয়ৰ পাঠদানৰ সময়সূচীৰ সালসলনি কৰা হৈছে। এই নিৰ্দেশনা অনুসৰি বিদ্যালয়ৰ শ্ৰেণীসমূহ পুৱা চাৰে সাত বজাত আৰম্ভ কৰি দিনৰ চাৰে ১২ বজা বিদ্যালয়ৰ ছুটীৰ সময় নিৰ্ধাৰণ কৰা হৈছে। তদুপৰি সকলো শিক্ষানুষ্ঠানকে ৰাতিপুৱাৰ প্ৰাৰ্থনাসভা শ্ৰেণীকোঠাৰ ভিতৰত অনুষ্ঠিত কৰিবলৈ নিৰ্দেশ দিয়া হৈছে। বিদ্যালয়ৰ প্ৰাংগনত উপযুক্ত খোৱাপানীৰ ব্যৱস্থা কৰাৰ লগতে অন্যান্য সা-সুবিধাসমূহ সুনিশ্চিত কৰিবলৈ নিৰ্দেশ দিয়া হৈছে।

উল্লেখযোগ্য যে প্ৰাথমিক বিদ্যালয়ৰ পাঠদানৰ সময়সূচী পুৱা চাৰে সাত বজাৰ পৰা ১১ বজালৈ, উচ্চ প্ৰাথমিক বিদ্যালয়ৰ পাঠদানৰ সময়সূচী চাৰে সাত বজাৰ পৰা চাৰে ১১ বজালৈ আৰু উচ্চ তথা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পাঠদানৰ সময়সূচী পুৱা চাৰে ৭ বজাৰ পৰা দিনৰ ১২ বজালৈ নিৰ্ধাৰণ কৰা হৈছে।

ইফালে ভাৰতীয় বতৰ বিজ্ঞান বিভাগে আজিৰে পৰা অসম, মেঘালয়, নাগালেণ্ড, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা আৰু ওড়িশাৰ কিছু কিছু অংশত প্ৰবল বৰষুণ হোৱাৰ সম্ভাৱনা প্ৰকাশ কৰিছে।

০০০০০০

পঞ্চায়তীৰাজ মন্ত্ৰালয়ে আজি গুৱাহাটীৰ খানাপাৰাত ৫ দিনীয়াকৈ আৱাসিক ফেকাল্টি উন্নয়ন কাৰ্যসূচীৰ আয়োজন কৰিছে। পঞ্চায়তীৰাজ আৰু মীন, পশুপালন আদি বিভাগৰ ৰাজ্যমন্ত্ৰী প্ৰফেচাৰ এছ পি সিং ৱাঘেলে এই অনুষ্ঠান উদ্বোধন কৰিব।

০০০০০০

কেন্দ্ৰীয় চৰকাৰে দেশৰ পৰা নিৰক্ষৰতা দূৰীকৰণৰ উদ্দেশ্যে ৰূপায়ণ কৰা **নব্য ভাৰত সাক্ষৰতা অভিযানৰ** অংশ হিচাপে দেশৰ অনান্য প্ৰান্তৰ লগতে কালি মাজুলী জিলাৰ ২৬টা পৰীক্ষাকেন্দ্ৰত ৫০০ৰো

অধিক নিৰক্ষৰ লোকৰ মাজত প্ৰথম পৰ্যায়ৰ মূল্যায়ন পৰীক্ষা অনুষ্ঠিত হয়। এই লোকসকলক স্বেচ্ছাসেৱক শিক্ষকৰ দ্বাৰা দীৰ্ঘদিনীয়াকৈ পাঠদান দিয়াৰ পাছত তেওঁলোকক মূল্যায়ন পৰীক্ষাত অৱতীৰ্ণ কৰোৱা হয়।

০০০০০০

শিৱসাগৰ জিলা আৰক্ষীয়ে যোৰা নিশা শিৱসাগৰ নগৰৰ ষ্টেচন চাৰিআলিত অভিযান চলাই ১৪টা ড্ৰাগছভৰ্তি কণ্টেইনাৰসহ দুটা মাদকদ্ৰব্য সৰবৰাহকাৰীক আটক কৰে। আৰক্ষীয়ে সৰবৰাহকাৰীকেইটাৰ পৰা নগদ ধন আৰু মোবাইল ফোনৰ এখন মটৰচাইকেল জব্দ কৰে।

০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগে অংশকালীন সংবাদদাতা হিচাপে বজালী, বিশ্বনাথ, ডিব্ৰুগড়, হোজাই, কামৰূপ, পশ্চিম কাৰ্বি আংলং, ধেমাজি আৰু কাছাৰ জিলাৰ বাবে আগ্ৰহী প্ৰাৰ্থীৰ পৰা আবেদন আহ্বান কৰিছে। আগ্ৰহী প্ৰাৰ্থীসকলে আকাশবাণীৰ ৱেৱছাইট www.newsonair.gov.in ত লগ ইন কৰি সবিশেষ তথ্য লাভ কৰাৰ লগতে আবেদন পত্ৰ ডাউনলোড কৰিব পাৰিব। প্ৰাৰ্থীসকলে নিজ হাতে নাইবা ডাকযোগে অহা ৩০ চেপ্তেম্বৰৰ ভিতৰত প্ৰয়োজনীয় নথিপত্ৰসহ The Head of Office, Akashvani, Guwahati, Chandmari, Guwahati-781003 এই ঠিকনালৈ আবেদন পত্ৰ প্ৰেৰণ কৰিব পাৰিব।

০০০০০০

হাংগেৰীৰ বুডাপেষ্টত অনুষ্ঠিত দবা অলিম্পিয়াদত ভাৰতীয় দবা দলটোৱে ইতিহাস ৰচিবলৈ সক্ষম হৈছে। প্ৰথমবাৰলৈ মুকলি শাখাত ঘৰুৱা দলটোৱে স্বৰ্ণ পদক লাভ কৰে। অন্তিম ৰাউণ্ডত ৰমেশ বাবু প্ৰজ্ঞানন্দ আৰু ডি গুকেশৰ পুৰুষ দলটোৱে শ্লোভেনিয়াৰ দলটোক পৰাস্ত কৰে। এই খেলখনৰ পূৰ্বে ভাৰতীয় দলটোৱে ১০ ৰাউণ্ডৰ অন্তত ১৯ পইণ্ট লাভ কৰিবলৈ সক্ষম হৈছিল। উল্লেখযোগ্য যে ডি হৰিকা, দিব্যা দেশমুখ, বৈশালী আৰু বন্তিকা আগৰৱালাৰ ভাৰতীয় মহিলা দলটোৱে স্বৰ্ণ পদক লাভ কৰি  অন্তিম ৰাউণ্ডত আজাৰবাইজানৰ দলটোক পৰাস্ত কৰে।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৪৫ সংখ্যক দবা অলিম্পিয়াডত মুকলি আৰু মহিলা দুয়োটা শাখাতে সোণৰ পদক জয় কৰা ভাৰতীয় দলটোক প্ৰশংসা কৰিছে। তেওঁ খেলুৱৈসকলক  তেওঁলোকৰ উল্লেখযোগ্য কৃতিত্বৰ বাবে অভিনন্দন জনায়। সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত মোদীয়ে কয় যে এই কৃতিত্বই দেশৰ ক্ৰীড়া ক্ষেত্ৰত এক নতুন অধ্যায়ৰ সূচনা কৰিছে। তেওঁ আশা প্ৰকাশ কৰে যে এই সফলতাই দবা খেলৰ নতুন প্ৰজন্মক খেলত পাৰদৰ্শিতা দেখুৱাবলৈ অনুপ্ৰাণিত কৰিব।

০০০০০০

ভাৰত আৰু বাংলাদেশৰ মাজত অনুষ্ঠিত টেষ্ট শৃংখলাৰ দ্বিতীয়খন  খেল অহা ২৭ ছেপ্তেম্বৰত আৰম্ভ হ'ব। দ্বিতীয়খন টেষ্টৰ বাবে পূৰ্বৰ দলটোৰ খেলুৱৈৰ কোনো সালসলনি কৰা হোৱা নাই বুলি বাছনি সমিতিয়ে জানিবলৈ দিছে। ২৭ তাৰিখৰ পৰা কানপুৰত অনুষ্ঠিত হ’ব লগা খেলখনতো ভাৰতে আধিপত্য বিস্তাৰ কৰিব পাৰিব বুলি সমিতিয়ে আশা প্ৰকাশ কৰিছে। উল্লেখযোগ্য যে  প্ৰথম টেষ্টৰ চতুৰ্থ দিনটোত কালি ভাৰতে  বাংলাদেশক ২৮০ ৰানৰ বিশাল ব্যৱধানত পৰাস্ত কৰি দুখনীয়া শৃংখলাটোত ১-০ৰ অগ্ৰগতি লাভ কৰে।

দ্বিতীয় টেষ্টৰ বাবে ভাৰতীয় দলটো হৈছে- অধিনায়ক ৰোহিত শৰ্মা, যশস্বী জয়ছোৱাল, শুভমন গিল, বিৰাট কোহলী, কে এল ৰাহুল, চৰফৰাজ খান, ঋষভ পন্ত, ধ্ৰুৱ জুৰেল, ৰবিচন্দ্ৰন অশ্বিন, ৰবীন্দ্ৰ জাদেজা, অক্ষৰ পেটেল, কুলদীপ যাদৱ, মহম্মদ চিৰাজ, আকাশ দীপ, যশপ্ৰীত বুমৰাহ, আৰু যশ দয়াল।

০০০০০০

আজি গুৱাহাটীৰ পৰা প্ৰকাশিত দৈনিক বাতৰি কাকতসমূহৰ ভিতৰত অসমীয়া প্ৰতিদিন কাকতে ক্ৰীড়া যুদ্ধত সোণোৱালক বাত এৰি দিলে হিমন্ত বিশ্বই, দৈনিক অসম আৰু আমাৰ অসম কাকতে জোনমণি ৰাভাৰ মৃত্যুৰ তদন্তৰ বাতৰি ক্ৰমে সাত আৰক্ষীৰ বিৰুদ্ধে বিভাগীয় তদন্ত আৰু এছ্ পি লিনা সহ ১০ আৰক্ষীৰ বিৰুদ্ধে বিভাগীয় তদন্তৰ নিৰ্দেশেৰে জোনমিণ মৃত্যু অধ্যায় সামৰিলে চি বি আয়ে শিৰোনামেৰে মুখ্য বাতৰি প্ৰকাশ কৰিছে।

লোকসভাৰ ভোটে সলালে বড়োভূমিৰ ৰাজনীতি, এ ডি আৰ পৰীক্ষাৰ প্ৰাৰ্থীয়ে ৫০ টকা দি চাব পাৰিব নিজৰ অ' এম আৰ, পুনৰ ফাদিল আৰক্ষীৰ চক্ৰান্তকাৰী ৰূপ শিৰোনামেৰে ক্ৰমে নিয়মীয়া বাৰ্তা, অসমীয়া খবৰ আৰু দৈনিক অগ্ৰদূত কাকতে মুখ্য বাতৰি প্ৰকাশ কৰিছে।

দৈনিক জনমভূমি কাকতে চৰকাৰৰ খৰচত পঢ়িব ব্যক্তিগত স্কুলত শিৰোনামেৰে মুখ্য বাতৰি প্ৰকাশ কৰিছে। ৰাজ্যত অস্বাভাৱিক ভাবে তাপমাত্ৰা বৃদ্ধিৰ বাতৰিক ভিন ভিন শিৰোনামেৰে কাকতসমূহে প্ৰথম পৃষ্ঠাত স্থান দিছে। কাজিৰঙা আৰু মানাহ ৰাষ্ট্ৰীয় উদ্যানত বিশ্ব গড় দিৱস উদযাপন তথা নিৰাপত্তা পৰিষদ ভাৰতৰ স্থায়ী সদস্য ভুক্তিত আমেৰিকাৰ সমৰ্থনৰ বাতৰিক কাকতসমূহে ভিন ভিন শিৰোনামেৰে প্ৰকাশ কৰিছে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কোৱাড সন্মিলনত অংশগ্ৰহণ কৰি মাৰ্কিন ৰাষ্ট্ৰপতি বাইডেনৰ সৈতে বিভিন্ন চুক্তি সন্দৰ্ভত আলোচনা কৰা বাতৰি নিয়মীয়া বাৰ্তা কাকতে প্ৰকাশ কৰিছে। কাকতখনে প্ৰধানমন্ত্ৰীগৰাকীক ২৯৭ বিধ প্ৰাচীন সামগ্ৰী হোৱাইট হাউচে ওভতাই দিয়াৰ বাতৰিটোকো প্ৰথম পৃষ্ঠাত স্থান দিছে। ২০১৬ চনৰ পৰা অসমত গড় চিকাৰ ৮৬ শতাংশ হ্ৰাস হোৱা বুলি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কৰা মন্তব্য গুৰুত্ব সহকাৰে কাকতখনে প্ৰকাশ কৰিছে।

এই বাতৰিটোকে অসমীয়া খবৰ কাকতে অন্য শিৰোনামেৰে প্ৰথম পৃষ্ঠাত স্থান দিছে।

অসম অলিম্পিক সন্থাৰ নিৰ্বাচনত সাধাৰণ সম্পাদকৰ পদত লক্ষ্য কোঁৱৰ পুনৰ নিৰ্বাচিত হোৱাৰ বাতৰিতোৰ লগতে গুৱাহাটী বিশ্ববিদ্যালয়ৰ চাৰিগৰাকী অধ্যাপক বিজ্ঞানীৰ তালিকাত প্ৰশংসিত হোৱাৰ বাতৰিটো দৈনিক জনমভূমি কাকতে প্ৰকাশ কৰিছে।

দি আছাম ট্ৰিবিউন কাকতে শ্ৰীলংকাত নতুন ৰাষ্ট্ৰপতিৰূপে পিপলছ্ লিবাৰেছনছ ফ্ৰণ্টৰ নেতা অনুৰা দিশানায়ক দেশখনৰ নতুন ৰাষ্ট্ৰপতিৰূপে নিৰ্বাচিত হোৱা বাতৰিটো Anura Dissanayake wins Lanka's presidential polls শিৰোনামেৰে মুখ্য বাতৰি প্ৰকাশ কৰিছে।

Modi reiterates effotrs to protect rhinos, urges people to visit Kaziranga National Park শিৰোনামেৰে দ্যা ছেন্টিনেল কাকতে মুখ্য বাতৰি প্ৰকাশ কৰিছে।

এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।

০০০০০০

সমাপ্ত